
# চান্দ মামা



শিশুসকলৰ বাবে এটি লোকসঙ্গীত


চাৰ্বাক দীপ্তৰ দ্বাৰা অংকিত

‘কথা’ৰ দ্বাৰা প্ৰকাশিত এক 300m থিংকবুক




চান্দ মামা ঘূৰণীয়া আৰু শকত!

কোৱাচোন তুমি সকলো কিদৰে চম্ভালা!




চান্দ মামা শকত আৰ সৰ্বব্যাপী

মাজে-সময়ে--অৰ্ধ আলোকৰ এটি বাতি।



ৰাতি তুমি তাত থাকা!

তৰাৰ পোহৰত--বন্ধুসকলৰ লগত।



চান্দ মামা গোল আৰু উজ্জ্বল!

দিনৰ পোহৰত তুমি থাকা দৃষ্টিৰ সিপাৰে!



চন্দ্ৰ বহুত বেছি দূৰত আছে।

আজি যদি তুমি চন্দ্ৰলৈ খোজকাঢ়ি যাবলৈ যাত্ৰা আৰম্ভ কৰা আৰু এদিনো ক্ষতি নকৰাকৈ প্ৰত্যেক দিনে তুমি যদি ২০ কি: মি: যোৱা তেন্তে চন্দ্ৰৰ পাওঁতে তোমাৰ বয়স তোমাৰ আইতাৰ সমান হ'ব।

সেয়েহে মানুহে চন্দ্ৰৰ ৰহস্য জানিবৰ বাবে ৰকেটত উঠি চন্দ্ৰলৈ যায়!

সঁচাকৈয়ে, সঁচাকৈ তুমি যদি বহুত কষ্ট কৰি মনোযোগেৰে পঢ়া-শুনা কৰা, তেন্তে তুমিও নিশ্চয় এদিন চন্দ্ৰৰ বিষয়ে বহুত নতুন তথ্য আৱিষ্কাৰ কৰিব পাৰিবা ।




তুমি এজন বিজ্ঞানী হ’ব পাৰা নাইবা এজন কবি নাইবা এজন চিত্ৰশিল্পী।

তোমাৰ যি মন যায় হ’বলৈ তুমি হ’ব পাৰা। কিন্তু তুমি সকলো সময়তে আকাশ চাব পাৰা আৰু ক’ব পাৰা, চান্দ মামা!, “মই তোমাক ভাল পাওঁ”

চন্দ্ৰ যে সদায় আমাৰ মাজত থাকিব এইটো ভাবি বৰ ভাল লাগে নহয়নে ?





## পঢ়া আৰম্ভ কৰাৰ আগতে

### ভাবা

তুমি প্ৰত্যেক দিনাই চন্দ্ৰ আৰু সূৰ্যক দেখা পোৱানে ?

তৰা আৰু মেঘ? আৰু সিহঁতৰ কথা ভাবি আচৰিত হোৱানে?




### প্ৰশ্ন সোধা! আলোচনা কৰা!

**মহাকাশলৈ যোৱা প্ৰথম ভাৰতীয় মহিলা আছিল কল্পনা চাওলা। শিশু অৱস্থাত তেওঁ উৰাজাহাজৰ ছবি আঁকি ভাল পাইছিল।**

**তুমি কেতিয়াবা চন্দ্ৰ নাইবা মহাকাশলৈ যাব বিচাৰা নে?**

# কাৰ্য কৰা!

আমাৰ আগত যিসকল লোকে পৃথিৱীত বসবাস কৰিছিল, তেওঁলোকৰ উপহাৰ হ'ল এই পৃথিৱীখন। তেওঁলোকে আমাৰ পৃথিৱীৰ যত্ন লৈছিল, সেয়ে আমি এতিয়া তেওঁলোকৰ উপহাৰ উপভোগ কৰিব পাৰিছোঁ।

প্ৰকৃতিক যত্ন লোৱাৰ নাইবা প্ৰকৃতিক ভালপাওঁ বুলি কোৱাৰ পাল এতিয়া তোমালোকৰ। তোমালোকে আৰু কি কৰিব পাৰা বাৰু ?

তমশাই কৈছে

তোমাৰ বিদ্যালয়ত তুমি গছ ৰুব পাৰা নে নোৱাৰা শিক্ষক নাইবা বিদ্যালয়ৰ প্ৰধান শিক্ষকক সোধা। অনুমতি পালে নিশ্চয় তুমি সৰু গছৰ পুলিটো ডাঙৰ নোহোৱা পৰ্যন্ত যত্ন ল'ব পাৰিবা।

তুমি আৰু তোমাৰ বন্ধুসকলে কি কি কৰিছিলা মোলৈ লিখা।

তোমাৰ ই-মেইল ইয়ালৈ পঠোৱা tamasha!@katha.org, নাইবা তমশালৈ এখন চিঠি লিখা। মাৰফৎ কথা, এ-৩, সৰ্বোদয় এনক্লেভ, নতুন দিল্লী-১১০০১৭।

তোমাৰ প্ৰকৃত বন্ধু,



গীতা ধৰ্মৰাজনে শিশুৰ বাবে লেখা-মেলা কৰি ভাল পায়। তেওঁ "টাৰ্গেট" নামৰ শিশু আলোচনীখনৰ অন্যতম সম্পাদকৰ পদ শুৱনি কৰাৰ লগতে পেন্সিলভেনিয়া বিশ্ববিদ্যালয়ৰ আলোচনী "দ্য পেন্সিলভেনিয়া গেজেট"-ৰো সম্পাদক আছিল। শিক্ষা আৰু সাহিত্য জগতলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁ ২০১২ চনত সন্মানীয় পদ্মশ্ৰী বঁটা লাভ কৰিছিল।

চাৰ্বাক দীপ্ত অক্সফোৰ্ডৰ এজন প্ৰাক্তন ছাত্ৰ আৰু এজন পুৰষ্কাৰ বিজয়ী চিত্ৰশিল্পী, লগতে ভোজন ৰসিক আৰু বিশ্ব-ভ্ৰমণকাৰী

KATHA

'কথা' বিশ্বব্যাপী স্বীকৃত এটি অ-লাভজনক সংস্থা (www.katha.org) যি ১৯৮৮ চনৰ পৰাই সাক্ষৰতাৰ পৰা সাহিত্য পৰ্যন্ত-সকলো দিশতে নিৰন্তৰভাৱে কাম কৰি আহিছে। দৰিদ্ৰ শিশুসকলৰ বাবে গ্ৰন্থ প্ৰকাশ তথা তেওঁলোকৰ শিক্ষাৰ উন্নয়নৰ ক্ষেত্ৰত ৩০ বছৰীয়া সফলতাৰ সুবাদেৰে এই অনুষ্ঠানটি পুষ্ট।

"ভাৰতৰ মুকুটত ই এটি শিক্ষামূলক ৰত্ন।" **-নায়োউকি শিনোহাৰা, ডেপুটি মেনেজিং ডিৰেক্টৰ, আই. এম. এফ**

'পৃথিৱীৰ সকলো চহৰৰ দুৰ্দশাগ্ৰস্ততা নিৰাময়ৰ বাবে কাম কৰি থকা সৃজনীশীল প্ৰকল্পসমূহৰ অন্যতম এটি দৃষ্টান্ত হ'ল 'কথা'।
**-চাৰ্লছ লণ্ড্ৰী, দ্যা আৰ্ট অৱ চিটি মেকিং**

'কথা'ৰ অন্তৰাত্মাত শিশুসকলৰ বাবে এক কোমল স্থান আছে। সেয়ে 'কথা'ই শিশুসকলৰ বাবে এনে ৰঙ-বিৰঙী ছবিসমৃদ্ধ গ্ৰন্থ সৃষ্টি কৰি আহিছে।
**--টাইম আউট।**

'কথা'ই ধাৰণাৰ ভিত্তিত কাম কৰে যাতে শিশুসকলে বাস কৰা সম্প্ৰদায়ত আমূল পৰিবৰ্তন আনিব পাৰে। **— পেপাৰ টাইগাৰছ**

শিশুসকলৰ বাবে ইংৰাজী সংস্কৰণৰ এই লোকগীতটি অনুবাদ কৰিছে গীতা ধৰ্মৰাজন আৰু 'কথা টীম'-এ

এইটো সংস্কৰণৰ প্ৰথম প্ৰকাশ কাল ২০২১ চন।
গ্ৰন্থস্বত্ব © কথা,2021
ইংৰাজী অনুবাদস্বত্ব © গীতা ধৰ্মৰাজন
অংকন স্বত্ব © কথা
এ-3, সৰ্বোদয় এনক্লেভ, শ্ৰীঅৰবিন্দ মাৰ্গ, নতুন দিল্লী-১১০০১৭
দূৰভাষঃ 91-11 4141 6600 . 4141 6610
"ই-মেইলঃ editors@katha.org.
ৱেবচাইটঃ www.katha.org "
ISBN 978-93-82454-65-6

আমাৰ উদ্দেশ্যঃ প্ৰত্যেক শিশুৱেই যেন ভালদৰে আৰু আনন্দৰ বাবে পঢ়িব পাৰে।
১৯৮৮ চনত স্থাপিত 'কথা' এটি পঞ্জীয়নকৃত অলাভজনক সংস্থা। 'কথা'ই স্বাক্ষৰতাৰ পৰা সাহিত্যলৈকে সকলো দিশতে ধাৰাবাহিকভাৱে কাম কৰি আহিছে। পঢ়াৰ অভ্যাসক প্ৰাপ্তবয়স্ক আৰু শিশুসকলৰ বাবে আনন্দদায়ক কৰি তুলিবলৈ চেষ্টা কৰি আহিছে 'কথা'ই। গ্ৰন্থ প্ৰকাশ আৰু বিভিন্ন সহায়-সহযোগিতাৰে ১,০০,০০০ ৰো অধিক দৰিদ্ৰ শিশুক 'গ্ৰেড লেবেল' পঠনৰ উপযোগী কৰি তুলিছে এই সংস্থাই।

সৰ্বস্বত্ব সংৰক্ষিত। প্ৰকাশকৰ পৰা আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থৰ কোনো অংশ, কোনো ৰূপতে কোনেও ব্যৱহাৰ কৰিব নোৱাৰিব।

এই গ্ৰন্থসমূহৰ বিক্ৰীৰ পৰা পোৱা আয়ৰ ১০% অৱহেলিত শিশুসকলৰ পঢ়া-শুনা তথা আজীৱন শিক্ষাৰ কৰ্মসূচীত খৰছ কৰা হয়।




আই লাভ ৰিডিং লাইব্ৰেৰী' হ'ল গ্ৰন্থৰ এক অনন্য ছিৰিজ, যি নতুন আৰু দুৰ্বল পাঠকসকলক সলসলীয়াকৈ পঢ়িবলৈ সুবিধা প্ৰদান কৰে।ই বিদ্যালয়ৰ বিভিন্ন স্তৰত থকা ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰয়োজনীয়তা অনুসৰি উচ্চমানৰ বিষয়বস্তু আৰু চিত্ৰৰ লগতে বিশ্বৰ বৰেণ্য সাহিত্যিকৰ সৃষ্টি আৰু শিল্প কৰ্মক একত্ৰিত কৰিছে। আমাৰ গ্ৰন্থসমূহ গীতা ধৰ্মৰাজনৰ 'ষ্টৰি পেদাগজী'ত প্ৰকাশ কৰা হৈছে । ই হৈছে এক অন্যতম শিক্ষামূলক মডেল, য'ত বিশেষভাৱে প্ৰথম প্ৰজন্মৰ পাঠকসকলৰ পঢ়াৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু শিশুক উচ্চ ধাৰণা আৰু এখন আকৰ্ষণীয় জগতলৈ লৈ যোৱা হয় ।(TA-DAA! ভাবক, প্ৰশ্ন কৰক, আলোচনা কৰক,কাৰ্য কৰক আৰু অৰ্জন কৰক)

'কথা'ৰ 'হলিষ্টিক আৰ্লি লাৰ্নিং(KHEL)লেব'-এ চৰকাৰী, অ-লাভজনক আৰু বেচৰকাৰী স্কুল শিক্ষকৰ বাবে বিভিন্ন কৰ্মশালাৰ আয়োজন কৰে।অনলাইনত হোৱা এই মুখামুখি(F2F—Face-to-Face)কৰ্মশালাসমূহে শিক্ষক, বিদ্যালয়ৰ প্ৰশাসক আৰু সেস্বাসেৱকসকলক চাৰ্টিফিকেট প্ৰদান কৰে। অধিক জানিবলৈ, এই ঠিকনাত যোগাযোগ কৰক-300m@katha.org

# এই সকলো ILR গ্ৰন্থ

আনন্দ লাভ আৰু অৰ্থোদ্ধাৰৰ বাবে পঢ়ক







































**FOR OUR BOOKS**

**www.books.katha.org**

‘কাহিনীটোৰ দ্বাৰা ভাৰতৰ বহু সাংস্কৃতিক পৰিচয় প্ৰকাশ পাইছে’
—দ্য পায়োনিয়াৰ

শিশুসকলৰ বাবে

কথা গ্ৰন্থ


ISBN 978-93-88284-81-3


www.katha.org

XXX

ইণ্ডিগো চিৰিজৰ অন্তৰ্গত